**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

# HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত গ্ৰামীণ ভাৰত মহোৎসৱ ২০২৫ উদ্বোধন কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী ড০ আব্দুলা খলিলে কালি নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৩। ভাৰত আৰু ইৰাণৰ মাজত কালি নতুন দিল্লীত অনুষ্ঠিত ১৯ সংখ্যক বিদেশ মন্ত্ৰ্যালয় পৰ্যায়ৰ পৰামৰ্শ বৈঠক অনুষ্ঠিত হয়।

৪। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কয়, যে আয়ুষ ব্যৱস্থাক আধুনিক চিকিৎসাৰ সৈতে একত্ৰিত কৰাৰ বাবে স্বাস্থ্য সেৱা খণ্ডত নীতিৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কৰা হৈছে।

**আৰু**

৫। ছিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই আমালৈ বাতৰি অহাৰ পৰলৈকে ৫ টা উইকেটৰ বিনিময়ত ৯৬ ৰান কৰি খেলি আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত গ্ৰামীণ ভাৰত মহোৎসৱ ২০২৫ উদ্বোধন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি এই মহোৎসৱৰ লক্ষ্য হৈছে গ্ৰাম্য আন্তঃগাঁথনি উন্নীতকৰণ, আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ সৃষ্টি আৰু গ্ৰাম্য সমুদায়ৰ মাজত উদ্ভাৱনীমূলক ধাৰণাক উৎসাহিত কৰা। এই মহোৎসৱত বিভিন্ন প্ৰদৰ্শনী, কৰ্মশালাৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক প্ৰদৰ্শন কৰা হ'ব। ছদিনীয়া এই মহোৎসৱৰ মূল মন্ত্ৰ হৈছে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ বাবে এখন স্থিতিস্থাপক গ্ৰাম্য ভাৰত নিৰ্মাণ কৰা। এই মহোৎসৱত গ্ৰামাঞ্চলৰ মহিলা সৱলীকৰণৰ দিশটোক বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হ'ব। মহোৎসৱত চৰকাৰী বিষয়া, গ্ৰাম্য উদ্যোগী, শিল্পী-কাৰিকৰ আৰু বিভিন্ন ক্ষেত্ৰৰ অংশীদাৰসকলে সহযোগিতামূলক আৰু সামূহিক গ্ৰাম্য পৰিৱৰ্তনৰ ৰূপৰেখা নিৰ্মাণৰ বাবে একেলগে কাম কৰাৰ সন্দৰ্ভত আলোচনা কৰিব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী ড০ আব্দুলা খলিলে কালি নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ড০ জয়শংকৰে সাগৰ দৰ্শন আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ অধীনত দ্বীপৰাষ্ট্ৰখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ কথা দোহাৰি দেশখনলৈ সমৰ্থন অব্যাহত ৰখাৰ আশ্বাস দিয়ে। দুগৰাকী নেতাই বিগত বৰ্ষৰ অক্টোবৰত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰ ভাৰত ভ্ৰমণৰ সময়ত স্বাক্ষৰ হোৱা বুজাবুজি চুক্তিৰ পাছৰ পৰ্যায়ৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে উভয় দেশৰ প্ৰয়োজনীয় বিষয়সমূহত আলোচনা কৰে।

ড০ খলিলে ভাৰতে মালদ্বীপৰ প্ৰয়োজনত তৎকালে আৰ্থিক সাহায্য প্ৰদান কৰাৰ বিষয়ৰ শলাগ লৈ কয়, যে এই পদক্ষেপে প্ৰথম সঁহাৰি প্ৰদানকাৰী হিচাপে ভাৰতৰ ভূমিকাক প্ৰতিফলিত কৰে। বিদেশ

মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ভাৰত-মালদ্বীপ বিস্তৃত অৰ্থনীতি আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰীৰ ক্ষেত্ৰত যুটীয়া দৰ্শনক মনত ৰাখি ৰাষ্ট্ৰপতি মুইজ্জু আৰু মালদ্বীপ চৰকাৰ ভাৰতৰ সৈতে সহযোগিতা আগবঢ়াবলৈ বদ্ধপৰিকৰ। বৈঠকত দুয়োখন দেশে ভাৰতৰ অনুদান সাহায্যৰ জৰিয়তে মালদ্বীপত সমুদায় বিকাশ প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰূপায়ণ কৰিবলগীয়া বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

০০০০০

ভাৰত আৰু ইৰাণৰ মাজত কালি নতুন দিল্লীত ১৯ সংখ্যক বিদেশ মন্ত্ৰালয় পৰ্যায়ৰ পৰামৰ্শ বৈঠক অনুষ্ঠিত হয়। বৈঠকত চাবাহাৰ বন্দৰ, কৃষি সহযোগিতা বাণিজ্য আৰু অৰ্থনীতিৰ লগতে সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজত সম্পৰ্ককে ধৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ বিষয়ত পৰ্যালোচনা কৰা হয়। বিদেশ সচিব বিক্ৰম মিশ্ৰী আৰু ইৰাণৰ উপ বিদেশমন্ত্ৰী মাজিদ টখ্ত ৰাৱনচিয়ে বৈঠকত সহযোগিতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি বৈঠকত আফগানিস্তান, পশ্চিম এছিয়া আৰু দক্ষিণ ক'কেছাচৰ সাম্প্ৰতিক পৰিস্থিতিকে ধৰি বৰ্তমানৰ বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশৰ বিষয়ত আলোচনা কৰা হয়। বিদেশ সচিব মিশ্ৰীয়ে আফগানিস্তানৰ অৰ্থনৈতিক উন্নয়নত সমৰ্থন আগবঢ়োৱাৰ ক্ষেত্ৰত চাবাহাৰ বন্দৰৰ গুৰুত্বৰ কথা উল্লেখ কৰে। দুয়োখন দেশে ৰাষ্ট্ৰসংঘ, ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠী আৰু চাংহাই সহযোগিতা সংস্থাকে ধৰি বহুপাক্ষিক ক্ষেত্ৰত সহযোগিতা গভীৰ কৰি তোলাৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা বিভাগৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ভাৰত চৰকাৰৰ প্ৰধান বৈজ্ঞানিক পৰামৰ্শদাতা, অধ্যাপক অজয় কুমাৰ সুদ, বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা বিভাগৰ সচিব তথা বৈজ্ঞানিক আৰু ঔদ্যোগীক গৱেষণা পৰিষদ চি এছ্ আই আৰৰ সঞ্চালকপ্ৰধানো উপস্থিত থাকিব। এই বিশেষ অনুষ্ঠানত চি এছ্ আই আৰ আৰু লঘু উদ্যোগ ভাৰতীৰ মাজত প্ৰযুক্তিৰ আদান-প্ৰদান কৰা হ'ব। বিভাগটোৱে বিভিন্ন কাৰ্যসূচী তথা নিজা গৱেষণা আৰু বিকাশ কেন্দ্ৰ, বৈজ্ঞানিক আৰু ঔদ্যোগীক সংস্থাৰ জৰিয়তে এই ক্ষেত্ৰৰ গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত পালন কৰা ভূমিকাক সন্মান জনাই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

গ্ৰাম্য উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে, যে তেওঁৰ মন্ত্ৰালয়ে চলিত বছৰৰ ভিতৰত দেশৰ গাঁওসমূহক দৰিদ্ৰতা মুক্ত কৰি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত কালি ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত মন্ত্ৰালয়ৰ বিভিন্ন আঁচনিসমূহৰ পৰ্যালোচনা বৈঠকত তেওঁ এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে আৰু কয়, যে গ্ৰামাঞ্চলৰ এই ভূমিকাই ভাৰতক সমগ্ৰ বিশ্বৰ বাবে এখন আদৰ্শ ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব। তেওঁ কয়, যে গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ আঁচনিসমূহ সাধাৰণ জনতাৰ সপোন বাস্তৱায়িত কৰাৰ থল। তেওঁ লগতে এই আঁচনিসমূহে গ্ৰামাঞ্চলৰ বিকাশৰ বাবে থকা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে গৃহ নিৰ্মাণ আঁচনিৰ অধীনত যোৱা ১০ বছৰত দেশৰ গ্ৰামাঞ্চলত ৩ কোটি ৪৫ লাখ বাসগৃহ নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহে মুঠ ৫০ হাজাৰ ৪৬৭ কোটি টকা মোকলাই দিছে।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কয়, যে আয়ুষ ব্যৱস্থাক আধুনিক চিকিৎসাৰ সৈতে একত্ৰিত কৰাৰ বাবে স্বাস্থ্য সেৱা খণ্ডত নীতিৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কৰা হৈছে। বেংগালুৰুত কালি স্বামী বিবেকানন্দ যোগ অনুসন্ধান সংস্থানে স্থাপন কৰা স্কুল অৱ এডভান্স ষ্টাডিজৰ নতুন চৌহদ মুকলি কৰি শ্ৰীনাড্ডাই এই কথা উল্লেখ কৰে। তেওঁ কয়, যে এটা সহযোগিতামূলক দৃষ্টিকোণ গ্ৰহণ কৰা হৈছে, য'ত আধুনিক চিকিৎসা প্ৰদান কৰা চিকিৎসকসকলে লাভদায়ক আয়ুষ চিকিৎসাৰ গ্ৰহণ কৰাৰ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে দেশৰ ২২ খন অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ চিকিৎসালয়ত আয়ুষ ব্লক সংযোজন কৰা হৈছে। তেওঁ কয়, যে আয়ুষ মন্ত্ৰালয়ে পৰম্পৰাগত ঔষধৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ বাবে ১০৩ খন দেশৰ সৈতে সহযোগিতা কৰিছে আৰু বিশ্ব স্বাস্থ্য সংস্থাই এই পৰম্পৰাগত ঔষধসমূহৰ গৱেষণা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ বাবে গুজৰাটৰ জামনগৰত এটা বিশ্ব পৰম্পৰাগত ঔষধ কেন্দ্ৰ স্থাপন কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিত, বাল্‌তিস্তান আৰু মুজাফৰবাদত আজি আৰু কাইলৈ প্ৰবল বৰষুণ আৰু তুষাৰপাত হ'ব বুলি আগজাননী দিছে। হিমাচল প্ৰদেশৰ বিভিন্ন স্থানতো অহা দুদিনত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱা আছে। আনহাতে পাঞ্জাব, হাৰিয়ানা, চণ্ডীগড় আৰু উত্তৰাখণ্ডতো পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে অহা দুদিনত দেশৰ উত্তৰ-পশ্চিম আৰু মধ্য ভাগত ঘন কুঁৱলী আৰু শীত অব্যাহত থাকিব বুলি আগলি বতৰা দিছে।

ooooo

ছিডনীত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন নিৰ্ণায়ক খেলৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই আমালৈ বাতৰি অহাৰ পৰলৈকে ৫টা উইকেটৰ বিনিময়ত ৯৬ ৰান কৰি খেলি আছে।

অষ্ট্ৰেলিয়াই কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৯ ৰাণৰ পৰা আজিৰ খেল আৰম্ভ কৰে। খেলখনৰ কালি প্ৰথমদিনা ভাৰতে ১৮৫ ৰানতে প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ ঋষভ পন্তে ৪০ আৰু জাদেজাই ২৬ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ স্কট বলেন্দে ৪টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে চলিত শৃংখলাত ভাৰত সম্প্ৰতি ২-১ ফলাফলত পিছপৰি আছে। ভাৰতে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব।

ooooo

গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক্‌ছ ষ্টেডিয়ামত মোহামেদান স্পৰ্টিং ক্লাব আৰু নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খেলখন গ'ল শূন্যভাৱে সমাপ্ত হয়। নৰ্থ-ইষ্ট ইউনাইটেডে সুন্দৰ খেল প্ৰদৰ্শন কৰে যদিও গ'ল দিবলৈ সক্ষম নহ'ল। ভূৱনেশ্বৰত আজি হ'বলগীয়া এখন খেলত ওড়িশা ফুটবল ক্লাব আৰু এফ চি গোৱাৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া ৫ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত জামছেদপুৰ ফুটবল ক্লাব আৰু বেংগালুৰু ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত